জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৪১/২০২১**

# বিশিষ্ট বন্যপ্ৰাণী আলোকচিত্ৰ শিল্পী, পৰিৱেশ সংৰক্ষণবিদ দিনেশ চৌধুৰীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৯ জানুৱাৰী ঃ** বিশিষ্ট বন্যপ্ৰাণী আলোকচিত্ৰ শিল্পী, পৰিৱেশ সংৰক্ষণবিদ দিনেশ চৌধুৰীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে এইগৰাকী বিশিষ্ট আলোকচিত্ৰ শিল্পীয়ে ৰাজ্যখনৰ বিভিন্ন বনাঞ্চললৈ গৈ বন্যপ্ৰাণীৰ আলোকচিত্ৰ তুলি সেইসমূহ প্ৰচাৰেৰে অসমৰ জৈৱ বৈচিত্ৰৰ বিচিত্ৰ ৰূপ ভাৰতৰ লগতে সমগ্ৰ পৃথিৱীত প্ৰচাৰৰ ব্যৱস্থা কৰিছিল। এইগৰাকী আলোকচিত্ৰ শিল্পী এগৰাকী হাতী বিশেষজ্ঞ আছিল আৰু প্ৰকৃতাৰ্থত পৰিৱেশ সংৰক্ষণবিদ আছিল। পৰিৱেশ সংৰক্ষণৰ দিশত তেওঁ আগবঢ়াই যোৱা অৱদান ৰাজ্যবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এইগৰাকী বিশিষ্ট আলোকচিত্ৰ শিল্পীৰ  বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত দিনেশ চৌধুৰীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**১৯/০১/২০২১**